# পুখুৰীত পালনৰ উপযোগী মাছ

অসমৰ প্ৰায় ৯৫ শতাংশ মানুহে মাছক এক অপৰিহাৰ্য খাদ্য হিচাপে গ্ৰহণ কৰে। ৰাজ্যখনত বহুলভাৱে থকা বিল-খাল আদি জলাশয়বোৰত বিভিন্ন প্ৰজাতিৰ মাছ-কাছ আদি পোৱা যায়। এই প্ৰায় সকলোবিলাক মাছকে খাদ্য হিচাপে গ্ৰহণ কৰা হয় যদিও পালনৰ বাবে কিন্তু সকলো প্ৰজাতিৰ মাছ উপযোগী নহয়। সেয়েহে পুখুৰীত মাছ পালন বুলিলে এইটো নুবুজায় যে যি কোনো ধৰণৰ মাছকে পুখুৰীত এৰি দি পালন কৰিব পাৰি। এক সমীক্ষা অনুসৰি উত্তৰ-পূব ভাৰতৰ প্ৰায় ২০০ বিধ মানৰ সন্ধান পোৱা গৈছে। এনে বিশাল সংখ্যক প্ৰজাতিৰ মাছ পালন কৰাটো জানো সম্ভৱ? সম্ভৱ হ'লেও তাৰ আৰ্থিক গুণাগুণ, পৰিপাৰ্শ্বিকতা, সমাজ ব্যৱস্থা আদিৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। সেয়েহে কেইটামান বিশেষ অৰ্হতাৰ ওপৰত ভিত্তি কৰি পালনৰ বাবে মাজৰ প্ৰজাতি নিৰ্বাচন কৰা হয়। এই অৰ্হতাসমূহ হ'ল -

১। পালন কৰিবলগীয়া মাছৰ বৃদ্ধিৰ হাৰ দ্ৰুত হ'ব লাগিব।

২। খাদ্যবস্তুক দেহ প্ৰোটিনলৈ ৰূপান্তৰৰ ক্ষমতা অধিক হ'ব লাগিব।

৩। পালন কৰিব লগা মাছবোৰক সহজে বেমাৰ আদিয়ে আক্ৰান্ত কৰিব পৰা হ'ব নালাগে আৰু পানীত ভৌতিক আৰু ৰাসায়নিক গুণৰ পৰিৱৰ্তন সহিব পৰা হ'ব লাগে।

৪। হাড়ৰ তুলনাত দেহত মাংসৰ পৰিমাণ অধিক হ'ব লাগে।

৫। অধিক প্ৰজননক্ষম হ'ব লাগে।

৬। অন্যান্য মাছৰ লগত সহবাসী হিচাপে থকাৰ প্ৰৱণতা থাকিব লাগে।

৭। সহজে পৰিপূৰক খাদ্য গ্ৰহণ কৰিব পৰা হ'ব লাগে।

৮। কম ঠাইত অধিক মাছ পালনৰ ক্ষমতাযুক্ত প্ৰজাতি হ'ব লাগে।

৯। অধিক বজাৰ চাহিদাযুক্ত প্ৰজাতি হ'ব লাগে।

যদিও অলৱণীয় বা মিঠা পানীত বহু কেইবিধ মাছ পালনৰ ব্যৱস্থা কৰিব পাৰি, তথাপি পোনা উৎপাদনৰ প্ৰযুক্তি কৌশল, ব্যৱসায়িক ভিত্তিক পালন প্ৰযুক্তিৰ দিশ আৰু উল্লেখিত বৈশিষ্টসমূহৰ ভিত্তিত কেইটামান প্ৰজাতিৰ কাৰ্প মাছহে বেছি উপযোগী। ইণ্ডিয়ান মেজৰ কাৰ্প, কেইবিধমান মাইনৰ কাৰ্প আৰু কিছুমান বিদেশী কাৰ্পৰ ক্ষেত্ৰত এই সকলোবোৰ অৰ্হতা দেখা যায়। ৰৌ, বাহু, মিৰিকা আদি কাৰ্পৰ অন্তৰ্গত ছাইপ্ৰিনিফৰমিছ (Cypriniformes) বৰ্গৰ ছাইপ্ৰিনিডি (Cyprinidae) পৰিয়ালৰ দন্তবিহীন মাছক সাধাৰণতে কাৰ্প বোলা হয়। কাৰ্পৰ সৰু জাতবোৰক মাইনৰ কাৰ্প যেনে - কুঢ়ি, ভাঙোন, মালি আদি ডাঙৰ জাতবোৰক (মোটামুটি ৬০ ছেন্টিমিটাৰকৈ দীঘল) মেজৰ কাৰ্প (যেনে - ৰৌ, বাহু, মিৰিকা) বোলে। আকৌ ছিলভাৰ কাৰ্প, গ্ৰাছ কাৰ্প আৰু কমন কাৰ্প বিদেশৰ পৰা আমদানি কৰি আমাৰ দেশত পালনৰ দিহা কৰাহৈছে বাবে এইবোৰক বিদেশী কাৰ্প (Exotic Carp) বোলা হয়। ইয়াৰ উপৰি আমাৰ সকলোৰে পৰিচিত থলুৱা মাগুৰ, শিঙি, কাৱৈ আদিও পুখুৰীত পালনৰ ব্যৱস্থা কৰি যথেষ্ট লাভৱান হ'ব পাৰি।